**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-07-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

ন্যায়াধীশ আশুতোষ কুমাৰে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৰা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ন্যায়াধীশগৰাকীক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। ন্যায়াধীশ আশুতোষ কুমাৰ ইয়াৰ পূৰ্বে পাটনা উচ্চ ন্যায়ালয়ৰ কাৰ্যবাহী মুখ্য ন্যায়াধীশ হিচাপে কৰ্মৰত আছিল। শপতগ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ, অধিবক্তা আৰু জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। ইপিনে, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাৰ্যবাহী ন্যায়াধীশ লানুচুংকুম জমিৰক কলকাতা উচ্চ ন্যায়ালয়লৈ আৰু ন্যায়াধীশ সুমন শ্যামক বোম্বে উচ্চ ন্যায়ালয়লৈ বদলি কৰা হৈছে।

০০০০০০০

ব্ৰহ্মপুত্ৰৰ ওপৰত চীনে বান্ধ নিৰ্মাণৰ ক্ষেত্ৰত ভৱিষ্যৎ কাৰ্যপন্থা সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটীত পিয়াৰলেছৰ এখন চিকিৎসালয় উদ্বোধন কৰাৰ অন্তত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰ মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে চীন কৰ্তৃপক্ষৰ সৈতে বিষয়টো লৈ আলোচনা কৰিছে বা কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে ব্ৰহ্মপুত্ৰৰ ওপৰত বান্ধ নিৰ্মাণৰ ফলত অসমত কিদৰে প্ৰভাৱ পৰিব সেই বিষয়ে এতিয়াই ক'ব পৰা নাযায় বুলি প্ৰকাশ কৰে। বিষয়টোলৈ বিশেষজ্ঞসকলৰ দুই ধৰণৰ মত আছে বুলি তেওঁ মন্তব্য কৰে। ব্ৰহ্মপুত্ৰৰ অধিকাংশ পানী অৰুণাচল প্ৰদেশ, ভূটান, বৰষুণ বা অন্য উৎসৰ পৰা অহা বুলি উল্লেখ কৰি ডঃ শৰ্মাই কয়, যে একাংশ বিশেষজ্ঞৰ মতে বান্ধ নিৰ্মাণৰ ফলত ব্ৰহ্মপুত্ৰৰ পানী কমিব – ৰাজ্যৰ বান সমস্যা হ্ৰাস পাব আৰু আন একাংশ বিশেষজ্ঞৰ মতে ইয়াৰ ফলত খৰালি ব্ৰহ্মপুত্ৰৰ পানী শুকাই যাব আৰু ৰাজ্যখনৰ জৈব বৈচিত্ৰ্য প্ৰভাৱিত হ'ব।

০০০০০০

আজি পৱিত্ৰ শাওণ মাহৰ প্ৰথমটো সোমবাৰ। ৰাজ্যৰ প্ৰায়বোৰ মঠ-মন্দিৰতে এই উপলক্ষে ভক্তৰ ভিৰ পৰিলক্ষিত হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌলত পুৱতি নিশাৰে পৰা ভক্তসকলে দেৱাদিদেৱ মহাদেৱৰ পূজা-অৰ্চনাৰ বাবে ভিৰ কৰে। জনবিশ্বাস অনুসৰি মহাদেৱৰ আশীষ লাভৰ বাবে এই বিশেষ দিনটোত শিৱলিংগত জল আৰু নৈবদ্য অৰ্পণ কৰা হয়। উত্তৰ গুৱাহাটী ঐতিহ্যমণ্ডিত মণিকৰ্ণেশ্বৰ দেৱালয়তো ভক্তসকলে শৰাই-নৈবদ্যৰে মহাদেৱৰ পূজা-অৰ্চনা কৰা পৰিলক্ষিত হয়।

বকোৰ যমুনেশ্বৰ শিৱালয়ৰ পৰাও বহু ভক্তই শাওণমহীয়া জলযাত্ৰা কৰা দেখা যায়। তেজপুৰৰ শ্ৰীশ্ৰীমহাভৈৰৱ দেৱালয়ত বহুসংখ্যক ভক্তই ভগৱান শিৱৰ উপাসনা আৰু পূজা কৰে। গোৱালপাৰা জিলাৰ ঐতিহাসিক পাগলাৰটেক শিৱমন্দিৰত পুৱতি নিশাৰে পৰা ভক্তসকলে পূজা-অৰ্চনা কৰে।

ইপিনে শাওণমহীয়া জলযাত্ৰাৰ বাবে শোণিতপুৰৰ ঢেকীয়াজুলিৰ পৰা শিৱসাগৰ হৈ উভতি অহা এখন বাহন নগাঁও জিলাৰ ৰাঙলুত দুৰ্ঘটনাগ্ৰস্ত হৈ আজি এজন লোকৰ মৃত্যু হোৱাৰ লগতে আন কেইবাগৰাকী

গুৰুতৰভাৱে আহত হয়। বাহনখনত চাৰিগৰাকী মহিলা আৰু দুটি শিশুকে ধৰি মুঠ ২৫ জন যাত্ৰী আছিল। তীব্ৰবেগত অহা বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ খালত বাগৰি পৰাৰ ফলত ৰোহিত ৰায় নামৰ লোকজনৰ থিতাতে মৃত্যু হয়। আহতসকলক ততালিকে জখলাবন্ধাৰ মহকুমা অসামৰিক চিকিৎসালয় ভৰ্তি কৰোৱা হয়। ইয়াৰে কেইবাগৰাকী লোকৰ অৱস্থা সংকটজনক বুলি আমাৰ নগাঁৰৰ সংবাদদাতাই জনাইছে।

০০০০০০০

টাই ভাষা-সংস্কৃতিৰ বিশিষ্ট গৱেষক, সাহিত্যিক তথা চিত্ৰশিল্পী পুষ্প গগৈৰ ৮০ সংখ্যক জন্মদিনৰ সৈতে সংগতি ৰাখি আজি ধেমাজিত এটা গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত সাহিত্যিক-সমালোচক ডঃ নৰ কুমাৰ চমুৱাই সম্পাদনা কৰা ড০ পুষ্প গগৈৰ টাই সংস্কৃতি সম্পৰ্কীয় লিখনিৰে সমৃদ্ধ ৰচনাৱলীৰ এটা সংকলনৰ লগতে **এজন চিত্ৰশিল্পীৰ অসম্পূৰ্ণ জীৱনগাথা** শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়। আকাশবাণী ডিব্ৰুগড় আৰু ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান শাখাৰ মুৰব্বী লোহিত ডেকা আৰু চিফুঙৰ সম্পাদক তথা লেখিকা তুলিকা চেতিয়া য়েইনে এই গ্ৰন্থ দুখন উন্মোচন কৰে।

০০০০০০০

যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে আজি টোকলাই শ্লুইছ গেট ভ্ৰমণ কৰি ভোগদৈ নৈৰ ধাৰা অবিৰতভাৱে বৈ যোৱাটো নিশ্চিত কৰাৰ লগতে শ্লুইছ গেটৰ পানীৰ প্ৰভাৱ সম্পৰ্কে বুজ ল'বলৈ পৌৰসভাৰ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। জিলা আয়ুক্তগৰাকীয়ে পূজাডুবি ঘাট পৰিদৰ্শন কৰি দুৰ্গাপূজাৰ মূৰ্তি বিসৰ্জনৰ ক্ষেত্ৰত পৰিকল্পিতভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। পৰিদৰ্শনকালত জিলা আয়ুক্তগৰাকীৰ লগতে যোৰহাট পৌৰ সভাৰ উপ-পৌৰপতি, কাৰ্যবাহী বিষয়ববীয়াসকল উপস্থিত থাকে।

আয়ুক্তগৰাকীয়ে যোৰহাট নগৰখনক স্বচ্ছ কৰি তোলাৰ লক্ষ্যৰে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি যোৰহাটৰ হৰিজন কলনী পৰিদৰ্শন কৰে। যোৰহাট আৰু মৰিয়নিৰ চাফাই কৰ্মীসকলৰ সৈতে মত বিনিময় কৰি আয়ুক্তগৰাকীয়ে যোৰহাট পৌৰসভাত হৰিজন কলনীৰ ঘৰ, বিদ্যালয় আৰু নলা-নৰ্দমাৰ জাবৰ নিষ্কাশনৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ নিৰ্দেশ দিয়ে। আয়ুক্তগৰাকীয়ে হৰিজন কলনীত স্বাস্থ্য বিভাগৰ দ্বাৰা স্বাস্থ্য শিবিৰৰ আয়োজন কৰাৰো আশ্বাস দিয়ে।

০০০০০০০

শিশু শিক্ষাৰ ভেটি গঢ়ি তুলিবলৈ শোণিতপুৰ জিলাৰ ৰঙাপৰাত আজি ছখন আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰা হয়। সোণাবিল, ২ নম্বৰ সোণাবিল, খলিহামাৰী, পুংপানী, বেৰাজান আৰু তিনিঘৰীয়া মিৰি গাঁৱত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰা হয়। এই প্ৰকল্পকেইটাৰ জৰিয়তে শৈশৱ অৱস্থাৰ পুষ্টি, শিক্ষা আৰু সামগ্ৰিক বিকাশৰ বাবে এটা সুস্থ পৰিৱেশ তথা আন্তঃগাঁথনি গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে।

০০০০০০০

**সমাপ্ত**